নং ঃ ২২ /২০২১

**অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ক'ভিড ৰোগৰ চিকিৎসা ব্যৱস্থাপনাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে**

# জিলা উপায়ুক্তক আৰু অধিক কণ্টেইনমেণ্টৰ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি জিলা উপায়ুক্ত, অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ বিতং পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জিলা প্ৰশাসনে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা পদক্ষেপ, ক'ভিড প্ৰট'কল বলৱৎ কৰা আৰু অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক'ভিড ৰোগীসকলৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থাৰাজিৰো পৰ্যালোচনা কৰে।

গভীৰ নিশাৰ সময়ত ক'ভিড ৰোগীসকলৰ মৃত্যুৰ সংখ্যা বৃদ্ধিৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক আনকি পুৱতি নিশাও হাস্পতালখনলৈ চিকিৎসাৰ বাবে অহা ক'ভিড ৰোগীসকলক উপযুক্ত চিকিৎসা প্ৰদানৰ বাবে নিৰ্দেশ দিয়াৰ লগতে ইয়াৰ বাবে অভিজ্ঞ চিকিৎসকক নিয়োজিত কৰাৰ বাবে নিৰ্দেশ দিয়ে।

ক'ভিড ৰোগৰ চিকিৎসাৰ আন্তঃগাঁথনি বৃদ্ধিৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয়ত নিৰ্মাণ কৰা চুপাৰস্পেচিয়েলিটি হাস্পতালখন এক সপ্তাহৰ ভিতৰতে কাৰ্যক্ষম কৰি তোলাৰ ব্যৱস্থা ল'বলৈও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিয়ান, অসমৰ পৰিচালন সঞ্চালক আৰু অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই চুপাৰস্পেচিয়েলিটি হাস্পতালখনত ৬০ খন আই চি ইউ বিচনা উপলব্ধ হ'ব আৰু ক'ভিড ৰোগীসকলৰ উন্নত চিকিৎসাত বিশেষভাৱে সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষক হাস্পতালখনত ৪০ হাজাৰ লিটাৰ উৎপাদনক্ষম এটা অক্সিজেন প্লাণ্ট নিৰ্মাণৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ সৈতে যোগাযোগ চলাবলৈও নিৰ্দেশ দিয়ে। ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা কণ্টেইনমেণ্ট আৰু ক'ভিড পৰীক্ষাৰ দিশটো পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু অধিক কণ্টেইনমেণ্ট সম্বন্ধীয় পদক্ষেপ লোৱাৰ উপৰি প্ৰয়োজন সাপেক্ষে কণ্টেইনমেণ্ট জ'নৰ সংখ্যা বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। ক'ভিড ৰোগীসকলক প্ৰথম অৱস্থাতে চিনাক্তকৰণৰ বাবে জিলাখনত প্ৰতি দিনে অতি কমেও ৭০০ টা আৰ টি পি চি আৰ পৰীক্ষা কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

জিলাখনত ক'ভিডৰ দ্ৰুত সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° শৰ্মাই ব্যৱসায়ী তথা গণ্য-মান্য নাগৰিকৰ সৈতে আলোচনা কৰি সান্ধ্য আইনৰ সময়সীমা বিয়লি ২ বজাৰ পৰিৱৰ্তে দুপৰীয়া ১২ বজালৈ

আগুৱাবলৈও নিৰ্দেশ দিয়ে। ৫০ বছৰ বয়সৰ উৰ্দ্ধৰ ক'ভিড আক্ৰান্ত ব্যক্তিক হোম কোৱাৰেণ্টাইনৰ অনুমতি প্ৰদানৰ দিশত জিলা প্ৰশাসনক অধিক সচেতন হ'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। যিসকল এনে ব্যক্তিৰ গৃহত সঠিক সা-সুবিধা আৰু পৰিবহনৰ সুবিধা থাকে তেনে লোককহে এই ক্ষেত্ৰত অনুমতি প্ৰদানৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। কণ্টেইনমেণ্ট জ'নত থকা দুখীয়া পৰিয়ালসকলে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকলৈ জীৱিকাৰ সকাহ প্ৰদানৰ পদক্ষেপ ল'বলৈও জিলা উপায়ুক্তক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ৪৫ বছৰৰ উৰ্দ্ধৰ ব্যক্তিসকলক ভেকচিন প্ৰদান অবিৰতভাৱে চলাই যোৱাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তগৰাকীক তেওঁ নিৰ্দেশ দিয়ে।

পৰ্যালোচনা বৈঠকৰ আৰম্ভণিতে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ আৰু ডিব্ৰুগড় জিলাৰ উপায়ুক্তই মুখ্যমন্ত্ৰী ড° শৰ্মাক জিলাখনৰ শেহতীয়া ক'ভিড পৰিস্থিতি তথা ক'ভিড আক্ৰান্ত ৰোগীসকলক প্ৰদান কৰি থকা চিকিৎসা ব্যৱস্থাৰ সবিশেষ অৱগত কৰে।

পৰ্যালোচনা বৈঠকৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম চিকিৎসা মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা চুপাৰস্পেচিয়েলিটি হাস্পতাল আৰু টাটা ট্ৰাষ্টৰ সাহায্যৰে চিকিৎসা মহাবিদ্যালয়খনত নিৰ্মাণ কৰি থকা ৩০০ বিচনাযুক্ত কৰ্কট চিকিৎসালয়খনো পৰিদৰ্শন কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী বিমল বৰা, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, চক্ৰ গগৈ, তেৰচ গোৱালা, পোনাকন বৰুৱা, তৰংগ গগৈ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ পৰিচালন সঞ্চালক ডাঃ লক্ষ্মণন এছ উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ**
**১৫/০৫/২০২১**